# অসম আদিত্য

RNI REGN. N
epape
Portal :
e-mail :

ব'হাগ, ১৯৪৭ শক ■ দেওবাৰ, ২০ এপ্ৰিল, ২০২৫ ■ Asom Aditya, Dibrugarh, Sunday, April 20, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰক


মানিমুনি
কৰে। হু
দুৰ্বলতা,
টনচিল,
ইয়াৰ



## অসম বিভিন্ন সংস্কৃতিৰ ৰম্যভূমি আৰু ইয়াৰ জ্ঞানৰ ঐতিহ্য অতি প্ৰাচীন ঃ ড° বুঢ়াগোহাঁই

# গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত হনুমানবক্স কানৈ সোঁৱৰণী বঁটা ল'লে শক্তি, দক্ষতা বিকাশ, চিকিৎসা শিক্ষা মন্ত্ৰী প্ৰশান্ত ফুকনে

**ষ্টাফ ৰিপৰ্টাৰ, ১৯ এপ্ৰিল ঃ** 'অসম বিভিন্ন সংস্কৃতিৰ ৰম্যভূমি আৰু ইয়াৰ জ্ঞানৰ ঐতিহ্য অতি প্ৰাচীন।'— ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ উদ্যোগত পোনপ্ৰথমবাৰৰ বাবে কানৈ মহাবিদ্যালয়ৰ অন্যতম প্ৰাণ প্ৰতিষ্ঠাতা, দানবীৰ, ৰায়চাহাব, পদ্মশ্ৰী হনুমানবক্স কানৈৰ মৃত্যুতিথিৰ লগতে সংগতি ৰাখি আয়োজন কৰা বক্তৃতানুষ্ঠানত বক্তৃতা প্ৰদান কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ অধ্যক্ষ (শৈক্ষিক) ড° অলক কুমাৰ বুঢ়াগোহাঁয়ে আজি এইদৰে কয়। 'অসমৰ উচ্চশিক্ষা ঃ অতীত, বৰ্তমান আৰু ভৱিষ্যৎ' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি ড° বুঢ়াগোহাঁয়ে কয়— আহোম শাসনকালৰ শিক্ষা ব্যৱস্থা জীৱিকা অৰ্জনৰ বাবে প্ৰদান কৰা হোৱা নাছিল, জ্ঞান, কৌশল ৬ পৃষ্ঠাত

